# পৰম্পৰা আৰু পৰিবৰ্তনৰ দৃষ্টিৰে অসমীয়া অলংকাৰ ঃ এটি প্ৰস্তাৱনা

**ড° চিত্ৰজিৎ শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান

সৌন্দৰ্যৰ প্ৰতি আকৰ্ষণ মানুহৰ এক চিৰন্তন প্ৰবৃত্তি। অতীজৰেপৰা মানুহে নিজৰ শৰীৰৰ শোভা বৰ্ধন কৰিবলৈ বিভিন্ন উপায়ৰ আশ্ৰয় লৈ আহিছে। মানুহৰ মনত অন্তৰ্নিহিত কলাত্মক সংবেদনশীলতাই মানুহক এনে কৰিবলৈ সততে প্ৰেৰণা যোগায়। সৌন্দৰ্যবৰ্ধক বিবিধ মাধ্যমৰ ভিতৰত অলংকাৰৰ ব্যৱহাৰো এক অন্যতম মাধ্যম। অলংকাৰৰ প্ৰয়োগ আৰু ব্যৱহাৰে যে মানুহৰ স্বাভাৱিক সৌন্দৰ্যলৈ চাৰুত্ব আনে তাত কোনো সন্দেহ নাই। অলংকাৰৰ প্ৰসংগত ইয়াৰ নিৰ্মাণশৈলীৰ বিষয়টিও জড়িত হৈ থাকে। অলংকাৰৰ নিৰ্মাণশৈলীত যেনেদৰে শিল্পীৰ শৈল্পিক অভিব্যক্তিৰ বহিৰ্প্ৰকাশ ঘটে, তেনেদৰে ইয়াৰ ব্যৱহাৰত মানুহৰ সুৰুচিৰ পৰিচয় ফুটি উঠে।

সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত বিচাৰ কৰি চালে অলংকাৰৰ এক দীঘলীয়া ইতিহাস লক্ষ্য কৰা যায়। প্ৰকৃততে মানৱ সভ্যতাৰ বিকাশৰ সমান্তৰালকৈ অলংকাৰৰো বিবৰ্তন ঘটিছে। গতিকে অলংকাৰৰ ইতিহাস বিচাৰ কৰি চালে মানৱ সভ্যতা-সংস্কৃতিৰ বিবৰ্তনৰো উমান পাব পাৰি। তদুপৰি 'অলংকাৰ' বিষয়টিৰ অধ্যয়নে সমসাময়িক সমাজখনৰ অৰ্থনৈতিক, সামাজিক প্ৰস্থিতিৰ ছবিখনো স্পষ্ট কৰি তোলে। ভিন্ন অলংকাৰ নিৰ্মাণত ব্যৱহাৰ হোৱা বিবিধ খনিজাত সামগ্ৰীৰ বিষয়েও সম্যক ধাৰণা এটি 'অলংকাৰ' অধ্যয়নৰ যোগেদি পাব পাৰি। অসমৰ প্ৰেক্ষাপটত 'সোণাৰি' বৃত্তিৰ লগত জৰিত মানুহখিনিৰ অতীত-বৰ্তমানৰ স্বৰূপ 'অলংকাৰে' ধৰি ৰাখিছে।

অলংকাৰৰ ঐতিহ্য আৰু ইয়াৰ বিবৰ্তন এক বিশাল বিষয়। সীমিত পৰিসৰত ইয়াৰ পূৰ্ণাংগ অধ্যয়ন অসম্ভৱ। সমগ্ৰ বিশ্বক উপেক্ষা কৰিও কেৱল ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত বিচাৰ কৰিবলৈ যোৱাটোও অতিকৈ দুৰূহ কাম। কাৰণ ভাৰতবৰ্ষৰ বাৰেৰহণীয়া সভ্যতা, সময়ে-সময়ে পৰিবৰ্তিত শাসন ব্যৱস্থা তথা বিবিধ জাতি-জনগোষ্ঠীয়ে ইয়াৰ অলংকাৰক বৈচিত্ৰ্যপূৰ্ণ আৰু সুকীয়া বিশেষত্বপূৰ্ণ কৰি তুলিছে। ভাৰতবৰ্ষৰ বিভিন্ন জাতি-জনজাতিৰ ভিন্-ভিন্ সামাজিক-সাংস্কৃতিক উপাদানে অলংকাৰকো স্থানীয় ৰহনযুক্ত কৰি তুলিছে  যাৰ ফলশ্ৰুতিত স্থানভেদে সেইবোৰে সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছে। অৱশ্যে কিছুমান অলংকাৰৰ চানেকিৰ ক্ষেত্ৰত সাদৃশ্যও লক্ষ্য কৰা যায়। আনহাতে অলংকাৰ পৰিধানৰ উপলক্ষ্য, শৰীৰৰ অংগভেদে প্ৰয়োগ কৰা অলংকাৰৰ ক্ষেত্ৰটো তাৰতম্য লক্ষ্য কৰা যায়।

অসমীয়া জাতি এক সংস্কৃতিবান জাতি। অসমীয়া মানুহৰ ইতিহাস অধ্যয়ন কৰিলে এই কথাৰ প্ৰমাণ বিচাৰি পোৱা যায়। বিভিন্ন জাতি-জনজাতিৰে সংমিশ্ৰিত হৈ গঢ় লোৱা অসমীয়া জাতিৰ বিবৰ্তনৰ যি ইতিহাস, আদিম অৱস্থাৰপৰা সভ্য জাতি হিচাপে প্ৰতিষ্ঠিত হোৱাৰ যি ইতিহাস, সভ্যতাৰ হাত ধৰি সংস্কৃতি কৰ্ষণৰ যি ইতিহাস সেই ইতিহাসে অসমীয়া জাতিক এক সুৰুচিবান জাতি হিচাপে চিহ্নিত কৰে। সুৰুচিবান মানুহ হিচাপে অসমীয়া মানুহৰো সৌন্দৰ্যচৰ্চাৰ প্ৰতি আকৰ্ষণ অতীজৰেপৰা লক্ষ্য কৰা যায়। একালৰ শিক্ষাৰ পোহৰ নপৰা আৰু অৰ্থনৈতিকভাবে অনগ্ৰসৰ অসমীয়া সমাজ, আহোমে শাসন কৰা ছশবছৰীয়া সামন্তযুগীয় সমাজ, অসমৰ বিভিন্ন খিলঞ্জীয়া জনজাতীয় সমাজ, বৰ্তমানৰ শিক্ষিত আৰু অৰ্থনৈতিকভাবে সবল অসমীয়া সমাজভেদে অসমীয়া মানুহৰ সৌন্দৰ্য সাধনাৰ ক্ষেত্ৰত সুকীয়া সুকীয়া বিশেযত্ব লক্ষ্য কৰা যায়। সৌন্দৰ্যচৰ্চা বা সৌন্দৰ্য সাধনা অভিধাটোৱে বহুবোৰ দিশক সামৰি লয়। সাজপাৰ, অয়-অলংকাৰ, বিবিধ প্ৰসাধন সামগ্ৰী, বয়নশিল্পৰ বিভিন্ন আৰ্হি, অলংকাৰৰ বিভিন্ন চানেকি আৰু নিৰ্মাণশৈলী — এই সকলোবোৰে অসমীয়া মানুহৰ সৌন্দৰ্য সচেতন মনটোৰ পৰিচয় বহন কৰি আহিছে। আনহাতে সৌন্দৰ্য সাধনাৰ উল্লিখিত মাধ্যমবোৰত আৰোপিত বিভিন্ন স্থানীয় ৰহনে সেইবোৰক ভিন্ন নাম, ভিন্ন ৰূপ পৰিগ্ৰহ কৰাত ভূমিকা গ্ৰহণ কৰিছে।

অসমীয়া মানুহে অতীজৰেপৰা ব্যৱহাৰ কৰি অহা আ-অলংকাৰৰ সাক্ষ্য বহন কৰি আহিছে বিবিধ প্ৰাচীন গ্ৰন্থ, লোক-সাহিত্য তথা অসম বুৰঞ্জীয়ে। উল্লিখিত সমলবোৰৰ আধাৰত বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া পুৰুষৰ তুলনাত মহিলাসকলৰ অলংকাৰৰ প্ৰতি প্ৰৱণতা অধিক। অৱশ্যে কম-বেছি পৰিমাণে পুৰুষসকলেও অলংকাৰ পৰিধান কৰিছিল। বৰ্তমানৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চালে দেখা যায় শৰীৰৰ বিভিন্ন অংগৰ শোভাবৰ্ধক এই অলংকাৰবোৰৰ সময়ৰ পৰিবৰ্তনৰ লগে লগে বিভিন্ন পৰিবৰ্তন ঘটিছে। আধুনিকতাৰ পৰশ লাগি অসমীয়া অলংকাৰে ন-ন ৰূপ পৰিগ্ৰহ কৰিছে। অৱশ্যে অসমীয়া অলংকাৰৰ যি ঐতিহ্য তাৰ প্ৰতি অসমীয়া মানুহৰ শ্ৰদ্ধা এতিয়াও ম্লান পৰা নাই। অসমীয়া মানুহে আধুনিকতাকো আদৰি লৈছে আৰু বিভিন্ন উৎসৱ-অনুষ্ঠানভেদে পৰম্পৰাগত অলংকাৰবোৰৰো ব্যৱহাৰ কৰি আহিছে।

সোণ, ৰূপ, তাম আৰু পিতল — এই চাৰিবিধ ধাতুৰে নিৰ্মাণ কৰা অসমীয়া অলংকাৰবোৰৰ বিবিধ নাম পোৱা যায়। প্ৰাচীন কালৰেপৰা অসমীয়া সোণাৰিয়ে সোণ-ৰূপৰ মিনা কৰা আৰু বাখৰ খটোৱা কিছুমান সুন্দৰ অলংকাৰ গঢ়িব জানিছিল। এসময়ত নাৰী-পুৰুষ উভয়ে এই অলংকাৰবোৰ পৰিধান কৰিছিল। আহোম শাসনকালত পুৰুষসকলে কাণ আৰু ডিঙিত গহনা পৰিধান কৰাৰ অলেখ উদাহৰণ পোৱা যায়। অতীতৰপৰা অসমীয়া পুৰুষে শৰীৰৰ অংগভেদে ব্যৱহাৰ কৰা কিছুমান অলংকাৰ হৈছে —

হাতৰ — আঙঠি - উকা আৰু বাখৰুৱা, গামখাৰু;

ডিঙিৰ — মতামণি, বিৰি, মগৰদানা, বৰমণি, লতামণি, শিলিখামণি ইত্যাদি;

কাণৰ — কঁৰিয়া, লংকেৰু, লোকাপাৰ, কুন্দল ইত্যাদি;

বাহুৰ — বাজু।

সময়ৰ অগ্ৰগতিৰ লগে লগে অলংকাৰৰ প্ৰতি অসমীয়া পুৰুষৰ প্ৰবণতা হ্ৰাস পায় আৰু অসমীয়া অলংকাৰবোৰে প্ৰধানভাবে অসমীয়া মহিলাৰহে শোভা বৃদ্ধি কৰিবলৈ ধৰে।

অতীতৰপৰা অসমীয়া মহিলাই বিবিধ অলংকাৰ পৰিধান কৰি আহিছে। শৰীৰৰ অংগভেদে অসমীয়া মহিলাই ব্যৱহাৰ কৰা অলংকাৰবোৰক তলত দিয়া ধৰণে দেখুৱাব পাৰি —

মূৰৰ — চিতি-পাতি বা শিৰপতা;

কপালৰ — কপালী;

কাণৰ — কাণফুল, কেৰু, কঁৰিয়া, মাকৰি, থুৰীয়া;

ডিঙিৰ — গলপতা, হাৰ, সাতসৰী, বেণা, ডুগডুগী, জোনবিৰি, ঢোলবিৰি, ঢৰীয়াবিৰি, শিলিখাবিৰি, পাৰচকুৱাবিৰি, লতাবাখৰুৱা বিৰি, মগৰমূৰী বিৰি, মাদলি, গেজেৰা, থোপামণি, চিপাত, শিলিখামণি, ফুটিমণি, চন্দ্ৰহাৰ, সোণ-পোৱাল মণি বা মালামণি ইত্যাদি;

নাকৰ — নাকফুল, নলক;

হাতৰ — মুঠি খাৰু বা মুঠিয়া খাৰু, গাম খাৰু, গোটা খাৰু, সঁচৰুৱা খাৰু, পটিয়া খাৰু, মগৰমূৰী খাৰু;

বাহুৰ — বাজু, কংকন, হাতী দাঁতৰ খাৰু;

আঙুলিৰ — আঙুঠি — উকা, বাখৰুৱা, হীৰাপতা;

কঁকালৰ — কৰধনি, কঁকালী, ঘাগৰ;

ভৰিৰ — খাৰু, পাজোপ, উজাণ্টি ইত্যাদি।

উল্লেখযোগ্য যে উল্লিখিত অলংকাৰবোৰৰ ৰূপ অনুসৰি সেইবোৰৰ নিৰ্মাণশৈলী সুকীয়া সুকীয়া। স্থানবিশেষে এইবোৰৰ আলোচনা লক্ষ্য কৰা যায়।[১] আনহাতে এই অলংকাৰবোৰৰ মাজৰ কিছুমান অলংকাৰ অধুনালুপ্ত। তদুপৰি অসমত বাস কৰা বিভিন্ন জনজাতিৰ স্থানীয় অলংকাৰবোৰেও অসমীয়া অলংকাৰবোৰলৈ বৈচিত্ৰ্য আনিছে। অসমত প্ৰচলিত তেনে কিছুমান জনজাতীয় অলংকাৰৰ নাম হৈছে —

ক. মিচিং — দগ্‌নীতাদক (মণি), কেন্‌তু (কাণৰ), ৰাংখল (মালা) ইত্যাদি।

খ. মণিপুৰী — খুজি (খাৰু), কুদপ (আঙঠি), নাচোম (কাণফুলি) ইত্যাদি।

গ. বড়ো — আচান (খাৰু), থোখা-আচান (গাম-খাৰু), খেৰু (কেৰু), আফযাম (আঙঠি) ইত্যাদি।

ঘ. কার্বি — নৰিক (কাণফুল), লেক আৰু লেকপাইকম (মণি) ইত্যাদি।

ঙ. ডিমাচা — জিংবি, জংসাম (ডিঙিৰ গহনা), লংবাৰ (কাণফুল), কাডুডিমা (ৰূপৰ খাৰু) ইত্যাদি।

চ. তাই-তুৰুং — কেনপাত (জাংফাই)।

ছ. তাই-ফাকে — বিৰী, বেন (গাম-খাৰু), লাংচ (আঙঠি) ইত্যাদি।

জ. তাই-খামতি — বেন (খাৰু), পাত (কেৰু), লাপ্‌ট্‌প (আঙঠি) ইত্যাদি।

ঝ. চাহ-জনগোষ্ঠী — ঝুমকা, চন্দ্ৰহাৰ, হাঁচলি, নথ ইত্যাদি।

ঞ. নেপালী — কল্লি (ভৰিৰ), হাৰি ৰেজি (ডিঙিৰ), গদবাৰী আৰু নাক ঢুংগী (নাকৰ) ইত্যাদি।[২]

উল্লিখিত অলংকাৰসমূহে অসমীয়া অলংকাৰৰ বিষয়ে এটি সম্যক ধাৰণা দিয়ে। অতীতৰপৰাই যে অসমীয়া মানুহে অলংকাৰ পৰিধান কৰি নিজৰ সৌন্দৰ্য-চেতনাৰ পৰিচয় দিছিল সেইকথাও স্পষ্ট হয়। কিন্তু কালক্ৰমত এই অলংকাৰবোৰৰ ব্যৱহাৰ সীমিত হ'বলৈ ধৰে। সমাজৰ অভিজাত আৰু অৰ্থনৈতিকভাবে সবল শ্ৰেণীৰ মানুহে এইবোৰৰ ব্যৱহাৰ কৰি গ'ল যদিও অৰ্থনৈতিকভাবে দুৰ্বল শ্ৰেণীৰ সৰ্বসাধাৰণ মানুহে ইয়াৰ মোহ পৰিত্যাগ কৰিবলৈ বাধ্য হ'ল। অসমীয়া মহিলাই কম খৰচতে নিজক সুসজ্জিত কৰাৰ স্বাৰ্থত আশ্ৰয় ল'লে সোণ পানী চৰোৱা অসমীয়া গহনা, বঙালী সোণাৰিয়ে কম মূল্যৰ বিনিময়ত গঢ়ি দিয়া অলংকাৰৰ। সময় বাগৰাৰ লগে লগে বজাৰত বিবিধ কৃত্ৰিম ধাতুৰে গঢ়া সোণ-ৰূপৰ অলংকাৰৰ লগত সাদৃশ্য থকা বিভিন্ন আৰ্হিৰ সুলভ মূল্যৰ অলংকাৰ উপলব্ধ হ'বলৈ ধৰিলে। এটা সময়ত এই সকলোবোৰৰ ব্যৱহাৰতো অসমীয়া মহিলা অভ্যস্ত হৈ পৰিল। অতীতৰ আড়ম্বৰপূৰ্ণ অসমীয়া অলংকাৰবোৰ অসমীয়া অলংকাৰৰ পৰম্পৰা আৰু ঐতিহ্যৰ পৰিচায়ক হৈ ৰ'ল।

আহোমসকল অসমত নিগাজি হোৱাৰ পিছত আৰু মোগল সংস্কৃতিৰ প্ৰভাবত প্ৰাচীন অসমীয়া অলংকাৰলৈ প্ৰথমবাৰৰ বাবে পৰিবৰ্তন আহিছিল। "অসমীয়া অলংকাৰৰ যিটো ৰূপ আমি বিংশ শতিকাৰ মাজভাগলৈকে সণ্ঢালনিকৈ ব্যৱহৃত হোৱা দেখা পাইছো সেই ৰূপ মধ্যযুগত গঢ় লৈ উঠা ৰূপ, আৰু এই ৰূপ কম-বেছি পৰিমাণে গ্ৰামীণ সমাজতো প্ৰচলিত ৰূপ।"[৩] গতিকে অসমীয়া অলংকাৰ বুলিলে অসমীয়া জাতিৰ সভ্যতা-সংস্কৃতিৰ লগত সম্পৰ্ক থকা পৰম্পৰাগত অলংকাৰসমূহকে বুজিব লাগিব। সময়ৰ পৰিবৰ্তনে যিদৰে সভ্যতা-সংস্কৃতিলৈ পৰিবৰ্তন আনিছে সেইদৰে মানৱ জীৱনৰ লগত সম্পৰ্কযুক্ত প্ৰতিটো দিশলৈ পৰিবৰ্তন অহাটো অৱধাৰিত। বিশ্বায়নৰ প্ৰভাবে সমগ্ৰ বিশ্বকে এক কৰি তোলাৰ পিছত অৰ্থনৈতিক ক্ষেত্ৰখনলৈ ব্যাপক পৰিবৰ্তন আহিল। সমগ্ৰ বিশ্বখনেই এখন বজাৰত পৰিণত হ'ল। বাণিজ্যিক আদান-প্ৰদানে বিশ্বৰ প্ৰতিটো প্ৰান্তৰ ভিন্ন ৰূপৰ সা-সামগ্ৰী সকলো ঠাইতে সহজলভ্য কৰি তুলিলে। অন্যান্য সামগ্ৰীৰ দৰে নিত্য-নতুন অয়-অলংকাৰৰো পয়োভৰ ঘটিল। তদুপৰি বিজ্ঞাপনৰ চমক, চিনেমা-ফেশ্বন ডিজাইনৰ প্ৰভাৱে আধুনিক অসমীয়া পুৰুষ-মহিলাক সেইবিলাক সামগ্ৰীৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ধৰিলে। মন-মানসিকতাৰ পৰিবৰ্তনে মানুহৰ ৰুচি-অভিৰুচিলৈয়ো পৰিবৰ্তন আনে। ফলস্বৰূপে সমসাময়িক সমাজখনৰ প্ৰভাবত অসমীয়া

মানুহে নতুনক আদৰি লৈ দৈনন্দিন জীৱনত পৰম্পৰাগত অলংকাৰৰ ঠাইত সহজলভ্য আৰু আৰামদায়ক কৃত্ৰিম অলংকাৰৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। কেৱল পৰম্পৰাগত উৎসৱ-অনুষ্ঠানত, ৰীতি-নীতি জড়িত হৈ থকা বিভিন্ন সামাজিক উপলক্ষ্যতহে অসমীয়া পুৰুষ-মহিলাই নিজৰ জাতীয় অলংকাৰ পৰিধান কৰিবলৈ ল'লে। এনেধৰণৰ পৰিবৰ্তন স্বীকাৰ কৰিও কিন্তু অসমীয়া মানুহে নিজৰ ঐতিহ্যপূৰ্ণ জাতীয় অয়-অলংকাৰৰ প্ৰতি থকা মোহ সমুলঞ্চে ত্যাগ কৰা নাই। ই এক শুভ লক্ষণ।

অসমীয়া অলংকাৰৰ এক গৌৰৱপূৰ্ণ ইতিহাস আছে। ভিন্ন চানেকি, ভিন্ন আকৃতি, ভিন্ন নামৰ এই অলংকাৰবোৰে অসমীয়া মানুহৰ সংস্কৃতিবান মনটোৰ পৰিচয় যুগ যুগ ধৰি বহন কৰি আহিছে। সময়ৰ অগ্ৰগতিত অসমীয়া অলংকাৰলৈ পৰিবৰ্তন আহিছে যদিও ইয়াৰ স্বকীয় অস্তিত্ব আজিও বৰ্তি আছে। নগেন শইকীয়াই উচিত ভাবেই মন্তব্য কৰিছে —

> "অসমীয়া সাধাৰণ তিৰোতাই পিন্ধা অলংকাৰ হ'ল — কাণৰ থুৰিয়া বা কেৰু, হাতত মুঠি খাৰু বা গোটা খাৰু, ডিঙিত দুগদুগী আৰু আঙুলিত এটা বা দুটা আঙঠি। তাৰ মাজতেই অসমীয়া মানুহৰ পৰিচয় এটি ফুটি নুঠাকৈ নাথাকে। অসমীয়া অলংকাৰৰ বৈশিষ্ট্যৰে এতিয়া গঢ়াবলৈ লোৱা সৰু আকাৰৰ অলংকাৰসমূহেও অসমীয়া মানুহৰ সাংস্কৃতিক মন আৰু নান্দনিক বোধৰ পৰিচয় ধৰি ৰাখিছে।"[৪]

**সূত্ৰ-নিৰ্দেশ ঃ**


১. দ্ৰষ্টব্য, গহনা-গাঁঠৰি, যুগল দাস, অসম প্ৰকাশন পৰিষদ, আগষ্ট, ১৯৯১

২. দ্ৰষ্টব্য, অসমৰ লোক-সংস্কৃতি ২, লোকেশ্বৰ গগৈ, ক্ৰান্তিকাল প্ৰকাশন, নগাঁও, ফেব্ৰুৱাৰী, ২০১১

৩. নগেন শইকীয়া, অসমীয়া মানুহৰ ইতিহাস, কথা প্ৰকাশন, ২০১৩, পৃ. ২২০

৪. উল্লিখিত।


ooooo